# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 06-06-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*
**- - - - - - - - - - - - - -**

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি জম্মু আৰু কাশ্মীৰৰ চেনাব নদীৰ ওপৰত নিৰ্মাণ কৰা পৃথিৱীৰ সৰ্বোচ্চ ধেনুভেৰীয়া দলংখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। প্ৰধানমন্ত্ৰীয়ে আজি কাট্ৰাত আঞ্জি খাদ দলঙো উদ্বোধন কৰে। কাশ্মীৰ উপত্যকাক দেশৰ বাকী অংশৰ সৈতে ৰে'ল সংযোগ ঘটোৱাৰ বাবে আৰম্ভ কৰা এই ৪২ বছৰ পুৰণি প্ৰকল্পটোৰ অন্তিম পৰ্যায়ত এই চেনাব দলংখন উদ্বোধন কৰাৰ লগে লগে এই অভিলাষী প্ৰকল্প সম্পূৰ্ণ হ'ল। ইয়াৰ ফলত এহেজাৰ ৪৪৮ কোটি টকা ব্যয় সাপেক্ষ ২৭২ কিলোমিটাৰ দৈৰ্ঘ্যৰ উধমপুৰ-শ্ৰীনগৰ-বাৰামুল্লা ৰে'ল পথৰ নিৰ্মাণৰ কামো সম্পূৰ্ণ হৈছে। হিমালয়ৰ অসমতল পাৰ্বত্য অঞ্চলৰ মাজেৰে নিৰ্মাণ কৰা এই ৰেলপথছোৱাত থকা ৩৬টা সুৰংগ আৰু ৯৪৩ খন দলং বিশ্বৰ অন্যতম আভিযান্ত্ৰিক উৎকৃষ্টতাৰ নিদৰ্শন ৰূপে চিহ্নিত হৈছে। প্ৰধানমন্ত্ৰীয়ে আজি জম্মু আৰু শ্ৰীনগৰৰ মাজত নতুন অত্যাধুনিক বন্দে ভাৰত এক্সপ্ৰেছ সেৱাও মুকলি কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে এই উপলক্ষে দিয়া ভাষণত পেৰিচৰ আইফেল টাৱাৰতকৈও ওখ এই দৰংখনক ভাৰতৰ আভিযান্ত্ৰিক পাৰদৰ্শিতাৰ উৎকৃষ্ট নিদৰ্শন বুলি অভিহিত কৰে আৰু ইয়াৰ ফলত কাশ্মীৰত উৎপাদিত সুস্বাদু আপেল আৰু আন ফলমূলসমূহে দেশৰ বাকী অংশত উপযুক্ত বজাৰ পাবলৈ সমৰ্থ হ'ব বুলি আশা প্ৰকাশ কৰে।

অনুষ্ঠানত জম্মু আৰু কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিনহা, মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লা, ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱ, প্ৰধানমন্ত্ৰী কাৰ্যালয়ৰ ৰাজ্য মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত আছিল।

ooooo

ৰাজ্যৰ সাম্প্ৰতিক বান পৰিস্থিতি সামান্য উন্নত হৈছে যদিও ১৬ খন জিলাৰ ৫ লাখ ৬০ হাজাৰৰো অধিক লোক এতিয়াও বানৰ কবলত আছে। আজিৰ দিনটোত বানত কোনো লোকে প্ৰাণ হেৰুওৱা নাই বুলি আমাৰ সংবাদদাতাই প্ৰকাশ কৰিছে। এই বানত ৰাজ্যখনৰ এহেজাৰ ৪০০ ৰো অধিক গাঁও ক্ষতিগ্ৰস্ত হৈছে আৰু প্ৰায় এহেজাৰ ৯০০ হেক্টৰ কৃষিভূমিৰ ক্ষতি হৈছে। ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীয়ে আজি পুৱাৰে পৰা শ্ৰীভূমি জিলাত উদ্ধাৰ অভিযান চলাই আছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণৰ তথ্য অনুসৰি এতিয়াও ৪১ হাজাৰতকৈ অধিক লোকে ১৭৫ টা আশ্ৰয় শিবিৰত আশ্ৰয় লৈ আছে। ৰাজ্যখনৰ বিভিন্ন অংশত পথ, ৰে'ল আৰু ফেৰী সেৱা ব্যাহত হৈ থকাৰ বাতৰি পোৱা গৈছে। ইপিনে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে ৰাজ্যখনৰ অধিকাংশ অঞ্চলত পাতলিয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলী বতৰা দিছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বৰাক উপত্যকা ভ্ৰমণ কৰি বান পৰিস্থিতিৰ বুজ লয়। তেওঁ হাইলাকান্দি জিলাৰ কালীনগৰ, পাঁচগ্ৰামকে ধৰি কেইবাটাও আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰি বানপীড়িত লোকসকলৰ সৈতে মত বিনিময় কৰে। মুখ্যমন্ত্ৰীয়ে লগতে তাৎক্ষণিকভাৱে সাহায্য বিতৰণত সহায় হোৱাকৈ বানত ক্ষতিগ্ৰস্ত লোকসকলক তেওঁলোকৰ বেংকৰ

সবিশেষ আৰু আন প্ৰয়োজনীয় তথ্যসমূহ প্ৰেৰণ কৰিবলৈ আহ্বান জনায়। ডঃ শৰ্মাই এই সময়ছোৱাত হ'ব পৰা বিভিন্ন স্বাস্থ্য সম্পৰ্কীয় সমস্যাৰ আগতীয়া সাৱধানতা  হিচাপে আশ্ৰয় শিবিৰত চিকিৎসা প্ৰদানকাৰী দলৰ ব্যৱস্থা কৰাৰ উপৰি অন্যান্য যাৱতীয় সুবিধাসমূহ প্ৰদান কৰাটো নিশ্চিত কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি শ্ৰীভূমি জিলাতো আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰি বন্যাৰ্তসকলৰ সমস্যাৰ বুজ লয়।

ইপিনে ব্ৰহ্মপুত্ৰ আৰু কপিলী নৈৰ বাঢ়নি পানীয়ে পবিতৰা অভয়াৰণ্যৰ ৭০ শতাংশ বনাঞ্চলৰ বুৰাই পেলাইছে। অভয়াৰণ্যখনৰ টুপলুং হাঁহচৰা, পাগলাডুবা, হাদুক, শিলডুবিকে ধৰি কেইবাটাও  বন শিবিৰ বানৰ কবলত পৰিছে। বন বিভাগ আৰু অন্যান্য সংস্থাই বন্য প্ৰাণীসমূহৰ খাদ্যৰ অভাৱ নহ'বৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰাৰ উপৰি চোৰাং চিকাৰীয়ে যাতে এই সময়ত সুযোগ লব নোৱাৰে তাৰ বাবেও চোকা দৃষ্টি ৰাখিছে।

ooooo

দৰং জিলাৰ পাথৰিঘাট ৰাজহচক্ৰৰ অন্তৰ্গত উত্তৰ কমাৰ গাঁৱত কালি খাদ্যত বিষক্ৰিয়া হৈ প্ৰায় ২০০ লোক অসুস্থ হৈ পৰাৰ পাছত জিলা স্বাস্থ্য বিভাগে মোৱামাৰি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত চিকিৎসাধীন হৈ থকা ৬ জন ৰোগীক আজি মঙলদৈ অসামৰিক চিকিৎসালয়লৈ স্থানান্তৰ কৰে। গাঁওখনৰ লক্ষ্মী  মন্দিৰত অনুষ্ঠিত জেঠমহীয়া মাংগলিক অনুষ্ঠানত মাহ-প্ৰসাদ খোৱাৰ পাছত শিশু আৰু মহিলাকে ধৰি প্ৰায় ২০০ লোক অসুস্থ হৈ পৰে। জিলা স্বাস্থ্য বিভাগৰ সূত্ৰৰ উদ্ধৃতি দি আমাৰ মঙলদৈৰ সংবাদদাতাই জনোৱা মতে আক্ৰান্তসকলৰ ৫৭ জনক পাথৰিঘাট খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ৪৬ জনক দুনি আদৰ্শ চিকিসালয়ত, পাঁচজনক চিপাঝাৰ প্ৰাথমিক চিকিৎসা কেন্দ্ৰত আৰু ৬ জনক মঙলদৈৰ মোৱামাৰী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত কালিয়েই ভৰ্তি কৰোৱা হয়। আক্ৰান্ত কোনো এজনৰো অৱস্থা গুৰুতৰ নহয় বুলি আমাৰ সংবাদতাতাই জনাইছে।

ooooo

বজালী জিলাৰ সমাজ কল্যান কাৰ্যালয়ে জিলা যোগ সন্থা আৰু ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ সহযোগত মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এটা যোগ শিবিৰৰ আয়োজন কৰে। সামাজিক ন্যায় আৰু সৱলীকৰণৰ মন্ত্ৰালয়ৰ অধীনত নিচামুক্ত ভাৰত অভিযান আৰু মাদক দ্ৰব্য সেৱন তথা অবৈধ সৰববৰাহৰ বিৰুদ্ধে আন্তৰাষ্ট্ৰীয় দিৱস উদযাপনৰ মাহযোৰা কাৰ্যসূচীৰ অংশ হিচাপে এই সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই যোগ শিবিৰত মানসিক ছাপ হ্ৰাস কৰাৰ উপায়, অনুশাসন আদিৰ ক্ষেত্ৰত যোগাসনৰ ভূমিকা সন্দৰ্ভত গুৰুত্ব আৰোপ কৰা হয়।

ooooo

সমাপ্ত